# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 17-10-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অভিধম্ম দিৱস আৰু পালিভাষাক ধ্ৰূপদী ভাষাৰ স্বীকৃতি প্ৰদান সমাৰোহত অংশগ্ৰহণ কৰিব।

২। ভাৰত আৰু ম'ৰিটানিয়াই চাৰিখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছে।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা নায়ব সিঙে আজি একেৰাহে দ্বিতীয়বাৰৰ বাবে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব।

৪। কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন টুডোই  ভাৰত খালিস্তানী সন্ত্ৰাসবাদী হৰদীপ সিং নিজ্জৰ হত্যাৰ সৈতে জড়িত বুলি অভিযোগ উত্থাপন কৰাৰ সময়ত ইয়াৰ সপক্ষে কোনো শক্তিশালী প্ৰমাণ নাছিল বুলি স্বীকাৰ কৰিছে।

*আৰু*

৫। পি ভি সিন্ধু আজি ডেনমাৰ্ক অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অভিধম্ম দিৱস আৰু পালিভাষাক ধ্ৰূপদী ভাষাৰ স্বীকৃতি প্ৰদান সমাৰোহত অংশগ্ৰহণ কৰিব। সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় বুদ্ধ পৰিষদে এই দিৱসৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰীয়ে সমাৰোহত অভিধম্ম দিৱস, পালিভাষাৰ গুৰুত্ব আৰু বৌদ্ধ ধৰ্মৰ চহকী ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে চৰকাৰে চলোৱা প্ৰচেষ্টাৰ বিষয়ে মত প্ৰকাশ কৰিব। সংসদীয় পৰিক্ৰমা আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুও সমাৰোহত উপস্থিত থাকিব। পালি ভাষাই অলপতে আন চাৰিটা ভাষাৰ সৈতে ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পৰিপ্ৰেক্ষিতত এইবাৰৰ অভিধম্ম দিৱস অধিক তাৎপৰ্যপূৰ্ণ হৈ উঠিছে। ভগৱান বুদ্ধৰ শিকনিসমূহ মূলত পালি ভাষাত উপলব্ধ। অভিধম্ম দিৱস ৩৩ দিব্য প্ৰাণীৰ দিব্য জগতৰ পৰা সংকাছিয়া নামৰ ঠাইখনত ভগৱান বুদ্ধৰ অৱতৰণৰ লগত সংগতি ৰাখি পালন কৰা হয়। সংকাছিয়া বৰ্তমান উত্তৰ প্ৰদেশৰ ফৰিদাবাদ জিলাৰ সংকিছা বসন্তপুৰ নামে জনাজাত। ঐতিহাসিক অশোক স্তম্ভৰ অৱস্থিতিৰ বাবে এই স্থানৰ গুৰুত্ব অপৰিসীম।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চণ্ডীগড়ত এন ডি এ-ৰ মুখ্যমন্ত্ৰী তথা উপ-মুখ্যমন্ত্ৰীবৰ্গৰ এখন সন্মিলনৰ অধ্যক্ষতা কৰিব।

সন্মিলনত বিজেপিৰ সভাপতি জে পি নাড্ডা, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু গৃহমন্ত্ৰী অমিত শ্বাহেও অংশগ্ৰহণ কৰিব। বিজেপিৰ এটা বিবৃতি অনুসৰি হাৰিয়ানাৰ মুখ্যমন্ত্ৰী হিচাপে নায়ব সিং ছাইনীৰ শপত গ্ৰহণৰ লগে লগে এই সন্মিলন আৰম্ভ হ'ব।

সন্মিলনত ৰাষ্ট্ৰীয় উন্নয়নৰ সৈতে জড়িত বিষয়সমূহত গুৰুত্ব আৰোপ কৰি বিশেষ কাৰ্যসূচীৰ বিষয়ে আলোচনা কৰা হ'ব। সন্মিলনত সংবিধান কা অমৰুত মহোৎসৱ পালন সন্দৰ্ভতো আলোচনা কৰা হ'ব বুলি জানিব পৰা গৈছে। দেশত বৰ্তমান বিজেপিৰ ১৩ গৰাকী মুখ্যমন্ত্ৰী আৰু ১৬ গৰাকী উপ-মুখ্যমন্ত্ৰী আছে। ইয়াৰ লগতে মহাৰাষ্ট্ৰ, অন্ধ্ৰ প্ৰদেশ, বিহাৰ, ছিকিম, নাগালেণ্ড আৰু মেঘালয়ত বিজেপিৰ মিত্ৰদলৰ মুখ্যমন্ত্ৰী আছে।

00000

বিজেপিৰ নতুন দিল্লীস্থিত মুখ্য কাৰ্যালয়ত কালি সন্ধিয়া দলৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ সভাপতি জে পি নাড্ডাকে ধৰি অন্যান্য জ্যেষ্ঠ নেতৃবৃন্দ উপস্থিত থাকে। মহাৰাষ্ট্ৰ বিধানসভাৰ সমাগত নিৰ্বাচনৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰাৰ উদ্দেশ্যে এই বৈঠক অনুষ্ঠিত হয়।

00000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ম'ৰিটানিয়াৰ ৰাষ্ট্ৰপতি মহম্মদ আউল্ড গজৌৱানীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ৰাষ্ট্ৰপতি মুৰ্মুৱে লগতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাতো ভাগ লয়। দুয়োখন দেশে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে চাৰিখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু ত্ৰিদেশীয় ভ্ৰমণসূচীৰ তৃতীয় পৰ্যায়ত আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে মলাৱিত উপস্থিত হ'ব। ভ্ৰমণ কালত তেওঁ দেশখনৰ নেতৃবৰ্গৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু দেশখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলকো সাক্ষাৎ কৰিব। আফ্ৰিকাৰ বিভিন্ন দেশৰ সৈতে ভাৰতৰ সম্পৰ্কৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণেই হ'ল তেওঁৰ এই যাত্ৰাৰ মূল উদ্দেশ্য।

00000

বিজেপিৰ জ্যেষ্ঠ নেতা নায়ব সিঙে আজি একেৰাহে দ্বিতীয়বাৰৰ বাবে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। পঞ্চকূলাৰ শালিমাৰ গ্ৰাউণ্ডত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব। ইয়াৰ পূৰ্বে বিজেপিৰ বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ পাছত শ্ৰীসিঙে কালি ৰাজ্যপাল বন্দাৰু দত্তাত্ৰেয়ক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে।

মনোনীত মুখ্যমন্ত্ৰী নায়ব সিঙে কয় যে, ৰাজ্যৰ ২৪ হাজাৰ চৰকাৰী চাকৰিৰ বাবে অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হ'ব। তেওঁ কয় যে, হাৰিয়ানা লোকসেৱা আয়োগ আৰু হাৰিয়ানা কৰ্মচাৰী চয়ন আয়োগে বাছনি কৰা এই প্ৰাৰ্থীসকলৰ  চিকিৎসা প্ৰমাণ-পত্ৰ আৰু চৰিত্ৰৰ প্ৰমাণ-পত্ৰ দাখিল বাবে অতিৰিক্ত সময় প্ৰদান কৰা হ'ব।

00000

দেশৰ বিভিন্ন প্ৰান্তত আজি ৰামায়ণৰ ৰচক মহৰ্ষি বাল্মিকীৰ জন্ম বাৰ্ষিকী 'বাল্মিকী জয়ন্তী' হিচাপে উদযাপন কৰা হৈছে। মহৰ্ষি বাল্মিকীক ‘আদি কবি’ বা সংস্কৃত ভাষাৰ প্ৰথম কবি হিচাপে জনা যায়। বাল্মিকী পন্থাৰ সদস্যসকলে তেওঁক ঈশ্বৰৰ দূত হিচাপে শ্ৰদ্ধা কৰি অতি ভক্তিৰে 'পৰ্গত দিৱস' পালন কৰে। এই উপলক্ষে 'চোভা য়াত্ৰা' নামৰ শোভাযাত্ৰাও উলিওৱা হয়।

00000

কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বিপণন বৰ্ষৰ বাবে ৰবি শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা বিভিন্ন সিদ্ধান্তৰ বিষয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, বগা সৰিয়হ আৰু সৰিয়হৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত সৰ্বাধিক ৩০০ টকা বৃদ্ধি কৰা হৈছে। ইয়াৰ বিপৰীতে মচুৰ দাইলৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২৭৫ টকা বৃদ্ধি কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে, বুটৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২১০ টকা আৰু ঘেঁহুৰ ১৫০ টকা বৃদ্ধি কৰা হৈছে। তেওঁ কয় যে, চৰকাৰে খেতিয়কসকলৰ বাবে উৎপাদিত শস্যৰ উচিত মূল্য সুনিশ্চিত কৰাৰ উদ্দেশ্যে ৰবি শস্যৰ  ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰিছে।

মন্ত্ৰীগৰাকীয়ে লগতে মন্ত্ৰীসভাই কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ আৰু পেঞ্চনাৰসকলৰ মৰগীয়া সাহায্য ৩ শতাংশ বৃদ্ধি কৰাৰ প্ৰস্তাৱত অনুমোদন জনোৱা বুলি ঘোষণা কৰে।

এই সিদ্ধান্তই কেন্দ্ৰীয় চৰকাৰৰ ৪৯ লাখ কৰ্মচাৰী আৰু ৬৪ লাখৰো অধিক পেঞ্চনাৰক উপকৃত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

00000

নতুন দিল্লীত আজিৰে পৰা নিটি আয়োগে দুদিনীয়াকৈ চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় মিথানল আলোচনা চক্ৰ আৰু প্ৰদৰ্শনীৰ আয়োজন কৰিছে। আমেৰিকাৰ মিথানল প্ৰতিষ্ঠানৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মিথানল উৎপাদন, প্ৰয়োগ আৰু ইয়াৰ প্ৰযুক্তিগত বিকাশৰ সৈতে জড়িত প্ৰকল্প, সামগ্ৰী আৰু গৱেষণা আৰু উন্নয়নৰ উদ্যমৰ অগ্ৰগতিত আলোকপাত কৰা হ’ব।

00000

কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডোই প্ৰাৰম্ভিক অৱস্থাত ভাৰত খালিস্তানী সন্ত্ৰাসবাদী হৰদীপ সিং নিজ্জৰৰ হত্যাৰ সৈতে জড়িত বুলি অভিযোগ উত্থাপন কৰাৰ সময়ত দেশখনৰ ওচৰত এই অভিযোগৰ সপক্ষে কোনো শক্তিশালী প্ৰমাণ নাছিল বুলি স্বীকাৰ কৰিছে। বিদেশী হস্তক্ষেপ তদন্তৰ সময়ত কানাডাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে এই অভিযোগ শক্তিশালী প্ৰমাণৰ নহয় বৰং চোৰাংচোৱা তথ্যৰ ওপৰতহে আধাৰিত আছিল বুলি সদৰী কৰিছে।

00000

ৰাজ্যৰ ৫টা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে সমষ্টিকেইটাত ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি  বিধানসভা সমষ্টিৰ বাবে

অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই সমষ্টিকেইটাৰ বিধায়কসকল লোকসভালৈ নিৰ্বাচিত হোৱাৰ পৰিপ্ৰেক্ষিতত আসন কেইখন খালী হৈছে।

ৰাজ্যৰ শাসনাধিষ্ঠিত বিজেপিয়ে তিনিটা সমষ্টিত আৰু মিত্ৰদল ইউ পি পি এল আৰু এ জি পিয়ে এটাকৈ সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। অৱশ্যে দলে এই পৰ্যন্ত প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা নাই। বিৰোধী কংগ্ৰেছ আৰু অন্যান্য দলসমূহেও নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব যদিও বৰ্তমানলৈকে প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই।

ooooo

অলিম্পিক পদক বিজেতা পি ভি সিন্ধু আজি ডেনমাৰ্ক অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ হান য়ুৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ডেৰ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰত আজি নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত মহিলাৰ চাফ ফুটবল প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৫ বাজি ১৫ মিনিটত আৰম্ভ হ'ব।

ooooo

ভাৰতীয় খো খো ফেডাৰেচন, কে কে এফ আই-য়ে অহা বছৰ নতুন দিল্লীত হ'বলগীয়া খো খো বিশ্বকাপৰ প্ৰথম সংস্কৰণৰ প্ৰতীকচিহ্ন আৰু টেগলাইন মুকলি কৰিছে। ইন্দিৰা গান্ধী ষ্টেডিয়ামত অহা ১৩ৰ পৰা ১৯ জানুৱাৰীলৈ এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

এই উপলক্ষে কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাদছেই কয় যে ৬খন মহাদেশৰ ২৪খন দেশৰ সৈতে এই গোলকীয় অনুষ্ঠানে আন্তঃৰাষ্ট্ৰীয় মঞ্চত ভাৰতৰ ক্ৰীড়া দক্ষতাক গৌৰৱেৰে প্ৰদৰ্শন কৰিব। চৰকাৰে বিভিন্ন থলুৱা খেলৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰি আহিছে বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম দিনৰ খেল কালি বৰষুণৰ বাবে বাতিল হোৱা পাছত আজি দ্বিতীয় দিনাৰ খেল আৰম্ভ হ'ব। বাংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলখন আজি নিৰ্ধাৰিত সময়ৰ পূৰ্বে আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ভাৰত সম্প্ৰতি আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত শীৰ্ষত আছে আৰু এই শৃংখলাত জয়ী হ'লে একেৰাহে তৃতীয়বাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ফাইনেলত প্ৰৱেশ কৰাৰ সম্ভাৱনা প্ৰবল হৈ উঠিব। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে ২০১২-১৩ খেলবৰ্ষৰ পাছত দেশৰ মাটিত একেৰাহে ১৯ সংখ্যক শৃংখলা জয়ৰ লক্ষ্যৰে শৃংখলাত অৱতীৰ্ণ হ'ব।

শৃংখলাৰ দ্বিতীয়খন খেল ২৪ৰ পৰা ২৮ অক্টোবৰলৈ পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। তৃতীয় তথা অন্তিমখন খেল ১ৰ পৰা ৫ নৱেম্বৰলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব।

ooooo

**সমাপ্ত**